# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ গুৱাহাটী সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ASOMIYA KHABAR GUWAHATI SATURDAY 25 FEBRUARY 2023




## ৱেষ্ট গুৱাহাটী কলেজ অব এডুকেচনৰ প্ৰাংগণত গ্ৰন্থ পঠন কাৰ্যসূচী পালন

আমাৰ খবৰ, আজাৰা, ২৪ ফেব্ৰুৱাৰী ঃ মহানগৰীৰ পাণ্ডুস্থিত ৱেষ্ট গুৱাহাটী কলেজ অব এডুকেচনৰ প্ৰাংগণত গ্ৰন্থ পঠনৰ প্ৰাসংগিকতা আৰু গুৰুত্ব সম্পৰ্কে সচেতনতা আনিবলৈ বিএড আৰু ডি এল এডৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আজি দিনজোৱা কাৰ্যসূচী পালন কৰা হয়। কাৰ্যসূচীত সম্মানীয় ব্যক্তি হিচাপে উপস্থিত থকা কে চি দাস কমাৰ্চ কলেজৰ গ্ৰন্থাগাৰিক ড° প্ৰশান্ত কুমাৰ ডেকাই তাৰ ওপৰত এক সুন্দৰ আলোকপাত কৰে। পবিত্ৰ পৃথিৱী একমাত্ৰ গ্ৰন্থৰ মাজেদিহে বাস কৰিব পাৰিব বুলি তেওঁ কয়। একমাত্ৰ গ্ৰন্থ অধ্যয়ন শুদ্ধ জ্ঞানৰ সঁফুৰা বুটলি লৈ জীৱনটো আগবঢ়াই নিয়াত সহায় কৰিব পাৰে বুলি তেওঁ উনুকিয়াই। তেওঁ আৰু উল্লেখ কৰে যে গ্ৰন্থ পঠনৰ কিছুমান কৌশল আছে। যেনে মনটো ঠিক কৰা, পঢ়ি থাকোঁতে সুন্দৰ বাক্যবোৰৰ তলত আঁচ টনা, ভাল লগা শাৰীবোৰ লিখি লোৱা ইত্যাদি। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মত বিনিময় কৰি কয় যে কোনোবা এখন গ্ৰন্থই হয়তো আমাৰ মনত খোৰাক নোযোগাব পাৰে কিন্তু আমি গ্ৰন্থ পঢ়া অভ্যাস কেতিয়াও ত্যাগ কৰিব নালাগে, আমাৰ দৈনন্দিন জীৱন প্ৰণালীৰ লগত হীনডেঢ়ি নকৰাকৈ সময় উলিয়াই সদায় অলপ সময় গ্ৰন্থ পঢ়াৰ নামত ব্যয় কৰিব লাগে যাতে বৰ্তমান সময়ৰ জীৱনশৈলীৰ লগত আমি আগুৱাই যাব পাৰো। গ্ৰন্থ অধ্যয়ন পাঠকক এক সুন্দৰ জগতৰ লগত চিনাকি কৰি দিয়ে, যিয়ে পাঠকসকলক জীয়াই থকাৰ অনুপ্ৰেৰণা যোগায়।

"Book Reading Day" on 24th February 2023